প্ৰশ্ন ২। ( ক ) চৰকাৰী ৰাজহৰ উৎসবোৰ কি কি ?
চমুকৈ উল্লেখ কৰা ।

উত্তৰঃ চৰকাৰী ৰাজহৰ উৎসসমূহ হ'ল—

১। কৰ ৰাজহ । আৰু

২। অনাকৰ ৰাজহ ।

১। কৰ ৰাজহ হৈছে এক বাধ্যতামূলক বৰঙণি যি জনসাধাৰণে নায্যমতে চৰকাৰক পৰিশোধ কৰিব লাগে । এই ৰাজহ দুইপ্ৰকাৰৰ , যেনে — ( i ) প্ৰত্যক্ষ কৰ আৰু ( ii ) পৰোক ।

প্ৰত্যক্ষ কৰ কৰদাতাই নিজৰ উপাৰ্জন আৰু সম্পত্তিৰ ওপৰত পৰিশোধ কৰিব লাগে , যেনেঃ আয়কৰ , সম্পত্তিক , নিগম কৰ আদি । পৰোক্ষ কৰ হৈছে যি কৰ জনসাধাৰণে অন্য ব্যক্তি বা প্ৰতিষ্ঠানৰ জৰিয়তে পৰিশোধ কৰে তেনে কৰক বুজায় । যেনেঃ বিক্ৰী কৰ , আবকাৰী শুল্ক, আমদানি কৰ ইত্যাদি ।

২। অনাকৰ ৰাজহ হ'ল কৰৰ বাহিৰে অন্যান্য উৎসৰ পৰা চৰকাৰে যি কৰ সংগ্ৰহ কৰে তাক অনাকৰ ৰাজহ বোলে । যেনেঃ ব্যৱসায়িক ৰাজহ, যেনে— ৰেল সেৱা , বিদ্যুৎ সেৱা আদি । সুত প্ৰাপ্তি যেনে Divident Fund , সুত আদি প্ৰশাসনিক ৰাজহ যেনেঃ অনুজ্ঞাপত্ৰ জৰিমনা , বিদ্যালয়ৰ মাচুল , আইন ভংগৰ মাচুল ইত্যাদি ।

প্ৰশ্ন ২। ( খ ) ৰাজহ ঘাটি বুলিলে কি বুজা ? ৰাজহ ঘাটিৰ ফলত উদ্ভৱ হোৱা তিনিটা পৰিস্থিতি ব্যাখ্যা কৰা ।

উত্তৰঃ ওচৰকাৰৰ বাজেট ৰাজহ শিতানত অন্তৰ্ভুক্ত হোৱা মুঠ ৰাজহ ব্যয়তকৈ যদি উক্ত শিতানত অন্তৰ্ভুক্ত হোৱা ৰাজহ আয় বা ৰাজহ প্ৰাপ্তিৰ পৰিমাণ কম হয় , তেতিয়া তাক ৰাজহ ঘাটি হিচাপে আখ্যা দিয়া হয় । ৰাজহ ঘাটিৰ ফলত উদ্ভৱ হোৱা তিনিটা পৰিস্থিতি হল–

( ক ) যেতিয়া চৰকাৰৰ ৰাজহ ঘাটি হয় , তেতিয়া চৰকাৰৰ সঞ্চয় আৰু বিনিয়োগ নাইকিয়া হয় ।

প্ৰশ্ন ১৮। চৰকাৰী বাজেটৰ অপৰিকল্পিত ব্যয়ৰ যিকোনো দুটা বিষয় উল্লেখ কৰা।

উত্তৰঃ পৰিকল্পনা বহিৰ্ভূত বা অপৰিকল্পিত ব্যয় হ'ল চলিত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ লগত সম্পৰ্কহীন ব্যয়। যেনেঃ প্ৰাকৃতিক দুৰ্যোগ, দুৰ্ঘটনা যুদ্ধ - বিগ্ৰহ আদিৰ বাবে চৰকাৰে কৰা সাহায্য আৰু প্ৰতিৰক্ষামূলক ব্যয় আদি অপৰিকল্পিত ব্যয়। এই ব্যয়ৰ বাবে আগতীয়াকৈ অনুমান কৰা নহয়।

**( গ ) চমু উত্তৰৰ প্ৰশ্নাৱলী :**

প্ৰশ্ন ১। পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত ব্যয়ৰ মাজৰ পাৰ্থক্য লিখা

উত্তৰঃ পৰিকল্পিত আৰু পৰিকল্পনা বহিৰ্ভূত ব্যয়ৰ মাজত পাৰ্থক্যসমূহ হ'ল–

১। পৰিকল্পিত ব্যয় বুলিলে চৰকাৰে বছৰটোত চলিত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অধীনৰ কাৰ্যসূচীত কৰিবলগীয়া ব্যয়ক বুজায়। ই অৰ্থনীতিৰ বিভিন্ন খণ্ডৰ লগত জড়িত কেন্দ্ৰীয় পৰিকল্পনাৰ কাৰ্যসূচী ৰূপায়ণত কৰা ব্যয়। উদাহৰণস্বৰূপে ৰাজ্যিক পৰিকল্পনালৈ চৰকাৰে দিয়া ব্যয় ইয়াৰ অন্তৰ্গত।

২। পৰিকল্পনা বহিৰ্ভূত ব্যয় হ'ল চলিত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ লগত সম্পৰ্কহীন ব্যয়সমূহক পৰিকল্পনা বহিৰ্ভূত ব্যয় বোলা হয়। যেনেঃ প্ৰাকৃতিক দুৰ্যোগ, দুৰ্ঘটনা, যুদ্ধ - বিগ্ৰহ আদিৰ বাবে চৰকাৰে কৰা সাহায্য আৰু প্ৰতিৰক্ষামূলক ব্যয় আদি পৰিকল্পনা বহিৰ্ভূত ব্যয়। এনেবোৰ ব্যয়ৰ বাবে আগতীয়াকৈ অনুমান কৰা নহয়।

প্ৰশ্ন ২। ( ক ) চৰকাৰী ৰাজহৰ উৎসবোৰ কি কি ?
চমুকৈ উল্লেখ কৰা।

প্ৰশ্ন ৬। চৰকাৰী বাজেটৰ উপাদানবোৰ কি কি ?

উত্তৰঃ চৰকাৰী বাজেটৰ উপাদানসমূহ হ'ল –

( i ) ৰাজহ বাজেটঃ ( Revenue Budget ) ৰাজহ বাজেটত চলিত আয় আৰু ব্যয়সমূহ অন্তৰ্ভুক্ত কৰা হয় । অৰ্থাৎ চৰকাৰৰ ৰাজহ প্ৰাপ্তি আৰু সেই ৰাজহেৰে কৰা চৰকাৰী ব্যয় ৰাজহ বাজেটৰ অন্তৰ্ভুক্ত হয় । যেনেঃ কৰ ৰাজহ , অনাকৰ ৰাজহ আদি ।

( ii ) মূলধনী বাজেট :- মূলধনী সা - সম্পত্তি সংগ্ৰহ আৰু বিক্ৰীৰ মাধ্যমত চৰকাৰে সংগ্ৰহ কৰা আয় - ব্যয়সমূহ মূলধনী বাজেটত অন্তৰ্ভুক্ত হয় । অৰ্থাৎ চৰকাৰৰ মূলধনী প্ৰাপ্তি আৰু ব্যয় মূলধনী বাজেটৰ অন্তৰ্ভুক্ত । যেনেঃ মূলধনী বিনিয়োগ ঋণৰ পুনৰ প্ৰাপ্তি অন্যান্য ঋণ দেনা প্ৰাপ্তি আদি ।

প্ৰশ্ন ৭। চৰকাৰী বাজেটৰ মূলধন প্ৰাপ্তিৰ উপাদানবোৰ কি কি ?

উত্তৰঃ চৰকাৰী বাজেটৰ মূলধন প্ৰাপ্তিৰ উপাদান সমূহ হ'ল—

( ক ) ঋণৰ পুনৰ প্ৰাপ্তি :- কেন্দ্ৰীয় চৰকাৰে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত দিয়া ঋণৰ পুনৰ প্ৰাপ্তিক অন্তৰ্ভুক্ত কৰা হয় ।

( খ ) ঋণ আৰু অন্যান্য দেনা :- ঋণে দেনাৰ সৃষ্টি কৰে আৰু সেয়ে ঋণৰ অভিয়তে সংগৃহীত পুঁজিক মূলধনী প্ৰাপ্তি হিচাবে গণ্য কৰা হয় ।

( গ ) অন্যান্য প্ৰাপ্তি :- ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ বিনিয়োগকৰণ এনে ধৰণৰ প্ৰাপ্তি । ঋণ আৰু চৰকাৰী ঋণৰ পুনৰ প্ৰাপ্তিক বাদ দি অন্যান্য প্ৰাপ্তিসমূহ অন্যান্য প্ৰাপ্তিৰ অন্তৰ্গত ।

প্ৰশ্ন ৮। চৰকাৰী বাজেটৰ পৰিকল্পনা বহিৰ্ভূত তিনিটা প্ৰধান বিষয় উল্লেখ কৰা । বা , চৰকাৰী বাজেটৰ অপৰিকল্পিত ব্যয়ৰ দুটা মুখ্য বিষয় উল্লেখ কৰা ।

উত্তৰঃ চৰকাৰী বাজেটৰ পৰিকল্পনা বহিৰ্ভূত তিনিটা প্ৰধান বিষয় হ'ল—

১। প্ৰাকৃতিক দুৰ্যোগৰ বাবে কৰা ব্যয় যেনেও ভূমিকম্প , বানপানী আদি ।

২। যুদ্ধ বিগ্ৰহৰ বাবে হোৱা ব্যয় আৰু ক্ষতিপূৰণৰ বাবে প্ৰতিৰক্ষা সেৱা ।

৩। অন্যান্য অনুমোদিত ব্যয় আদি । যি পঞ্চবাৰ্ষিক পৰিকল্পনাত অন্তৰ্ভুক্ত নহয় । যেনে— ৰাজকীয় সাহাৰ্য ।

আৰু চৰকাৰে যোগান ধৰে , তাকে ৰাজহৰা দ্ৰব্য বোলে ।

প্ৰশ্ন ১৫। বাজেট ঘাটি আৰু বাণিজ্যিক ঘাটিৰ সংজ্ঞা দিয়া ?

উত্তৰঃ বাজেট ঘাটি হ'ল এখন দেশৰ চৰকাৰৰ ৰাজহ প্ৰাপ্তিৰ পৰিমাণ চৰকাৰী ব্যয়তকৈ অধিক হোৱা । আনহাতে বাণিজ্যিক ঘাটি হ'ল এখন দেশৰ আমদানি মূল্য ৰপ্তানিৰ মূল্যতকৈ অধিক হোৱা ।

প্ৰশ্ন ১৬। পৰিকল্পনা বহিৰ্ভূত ব্যয়ৰ এটা উদাহৰণ দিয়া ।

উত্তৰঃ প্ৰশাসনিক ব্যয় ।

প্ৰশ্ন ১৭। খালী ঠাই পূৰণ কৰা :

( ক ) ডাকঘৰ সঞ্চয় হিচাপে হৈছে .......... ৰ এটা উদাহৰণ । ( মূলধন প্ৰাপ্তি / মূলধন ব্যয় )

উত্তৰঃ মূলধন প্ৰাপ্তি ।

প্ৰশ্ন ১৮। ৰাজহ প্ৰাপ্তি আৰু মূলধনী প্ৰাপ্তিৰ মাজৰ দুটা পাৰ্থক্য লিখা ।

উত্তৰঃ ৰাজহ প্ৰাপ্তি আৰু মূলধনী প্ৰাপ্তিৰ মাজৰ দুটা পাৰ্থক্য

( i ) ৰাজহ প্ৰাপ্তি পুনঃ পুনঃ চৰকাৰে লাভ কৰে । কিন্তু মূলধনী প্ৰাপ্তি কেতিয়াও পুনঃ পুনঃ চৰকাৰে লাভ কৰিব নোৱাৰে ।

( ii ) ৰাজহপ্ৰাপ্তিৰ হ্ৰস্বকালীন ফল জড়িত হৈ থাকে , কিন্তু মূলধনী প্ৰাপ্তিৰ প্ৰভাৱ দীৰ্ঘকালিন হৈ থাকে , কিন্তু মূলধনী প্ৰাপ্তিৰ প্ৰভাৱ দীৰ্ঘকালিন হয় ।

প্ৰশ্ন ১৯। ভাৰতবৰ্ষত কোন চনৰ পৰা GST বলবৎ হৈছে ?

উত্তৰঃ জুলাই , 2017 চনৰ পৰা ।

প্ৰশ্ন ২০। ৰাজহ ব্যয় আৰু মূলধনী ব্যয়ৰ মাজৰ দুটা পাৰ্থক্য লিখা ।

উত্তৰঃ ( ক ) ৰাজহ ব্যয় হ'ল চৰকাৰৰ নিয়মীয়া ব্যয় , আনহাতে মূলধনীজাতীয় দ্ৰব্যৰ ক্ষেত্ৰত হোৱা ব্যয়েই হ'ল মূলধনী ব্যয় । আৰু

( খ ) ৰাজহ ব্যয় হ'ল হ্ৰস্বকালীন , কিন্তু মূলধনী ব্যয় হ'ল দীৰ্ঘকালীন ।

## দ্বিতীয় খণ্ড

( ক ) অতি চমু প্ৰশ্নোত্তৰ :-

প্ৰশ্ন ১। অনা-কৰ ৰাজহৰ এটা উদাহৰণ দিয়া।

উত্তৰঃ মাচুল বা অনুদান , জৰিমণা।

প্ৰশ্ন ২। মূলধনী ব্যয়ৰ এটা উদাহৰণ দিয়া।

উত্তৰঃ অংশ পত্ৰ বিনিয়োগ।

প্ৰশ্ন ৩। এখন চৰকাৰে কেতিয়া বাজেট ঘাটিৰ সৃষ্টি কৰে ?

উত্তৰঃ যেতিয়া আয়তকৈ ব্যয়ৰ পৰিমাণ বেছি হয় তেতিয়া ঘাটি বাজেট প্ৰস্তুত কৰে।

প্ৰশ্ন ৪। ৰাজহ ঘাটি কি ?

উত্তৰঃ চৰকাৰৰ ৰাজহ প্ৰাপ্তিৰ অতিৰিক্ত ৰাজহ ব্যয়ক ৰাজহ ঘাটি বুলি কোৱা হয়। ৰাজহ ঘাটি = ৰাজহ ব্যয় – ৰাজহ প্ৰাপ্তি।

প্ৰশ্ন ৫। ৰাজস্ব ঘাটি কি ?

উত্তৰঃ ৰাজস্ব ঘাটি হৈছে চৰকাৰৰ ঋণ আৰু অন্যান্য দেনাৰ সমষ্টি ৰাজস্ব ঘাটি = মুঠ ব্যয় ঋণ আৰু অন্যান্য দেনাক বাদ দি মুঠ প্ৰাপ্তি।

প্ৰশ্ন ৬। প্ৰাথমিক ঘাটি কি ?

উত্তৰঃ ৰাজকোষীয় ঘাটিৰ পৰা সুদ পৰিশোধ বাদ দিলে প্ৰাথমিক ঘাটি পোৱা যায়।

প্ৰশ্ন ৭ চৰকাৰী বাজেট কি ?

উত্তৰঃ চৰকাৰী বাজেট হ'ল এটা বিত্তীয় বছৰৰ সম্ভাব্য আয় আৰু ব্যয়ৰ ওপৰত যুক্ত কৰা এক প্ৰতিবেদন।

প্ৰশ্ন ৮। ৰাজস্ব নীতি কি ?

উত্তৰঃ ৰাজস্ব নীতি হ'ল চৰকাৰৰ ব্যয় , ৰাজহ আৰু ঋণ নিয়ন্ত্ৰণ ব্যৱস্থাৰ মাধ্যমত যেতিয়া সম্পদৰ নিয়োগ আৰু পুঁজিৰ প্ৰৱাহ ঘটাই দেশৰ উপাৰ্জন , মূল্যস্তৰ , নিয়োগ আৰু উৎপাদন স্তৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা হয় তাকেই ৰাজস্ব বাৰাজকোষীয় নীতি বোলে।